Page No (7)

জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

ৰ । ৭২ সংখ্যা, ১ কাতি, শুকুৰবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 72 । DIBRUGARH, FRIDAY, OCTOBER 18, 2024 । পৃষ্ঠা ১৬ (Pages 16

শাখাৰ বিষয় হৈছে শ্ৰীমন্ত শংকৰদেৱ আৰু অসমৰ জাতীয় সংহতি (১৫০০শব্দ)। ইচ্ছুক প্ৰতিযোগীসকলে ৰচনাসমূহ ডি টি পি নাইবা পৰিষ্কাৰ হাতৰ আখৰেৰে লিখি পি ডি এফ আকাৰে ই-মেইল : aishwarjyal1998@gmail.com অথবা ৭৩৫৯২৭৮৮৩ নম্বৰত হোৱাটছএপযোগে প্ৰেৰণ কৰিব পাৰিব। কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰ বিজয়ীসকলক সংঘৰ নিতাইপুখুৰী প্ৰাথমিক শাখাৰ মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানত নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

## ...নাম প্ৰতিযোগিতা

...নগৰত দিচৈপৰীয়া শাখা লেখিকা সমাৰোহ সমিতিৰ ...ম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। যোৰহাট জিলা ...ইচ্ছুক দলক দূৰভাষ : ৯৪৩৫০ ৯১২৭৫, ৯৯৫৪০ ...যাগ কৰিবলৈ সমিতিৰ সভানেত্ৰী অমিয়া শইকীয়া আৰু ...চৈনগৰ নামঘৰত হ'বলগীয়া কাৰ্যসূচীত যোৰহাট জিলা ...া কৰিব।

## ...পি জে আব্দুল ...দিন উদ্‌যাপন

...জীৱনৰ চিৰসেউজ দৰ্শন, কৰ্ম তথা কৃতিৰ কথা বৰ্ণনা ...দ্যালয়ৰ চাৰিগৰাকী ছাত্ৰীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতিৰ জীৱনৰ ...দেশ সম্বলিত বক্তব্য উপস্থাপন কৰি নবীনসকলৰ মাজত ... আদৰ্শৰ প্ৰসাৰ, প্ৰচাৰ কৰাৰ সভাৰ মূল উদ্দেশ্য ...াত কৰে। নিৰ্মালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান ...ী মালবিকা কোঁৱৰে ছাত্ৰীসকলৰ উদ্দেশ্যে ভাৰতৰত্ন ... অতি সৰল জীৱন যাপনৰ আদৰ্শ আৰু অন্যান্য দিশত ...পাত কৰে। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ দুগৰাকী কাৰ্যবাহী ...পুল খাউণ্ড আৰু অজিত শৰ্মাই প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ ...শৰ কথা ব্যক্ত কৰি সকলোকে অভিভূত কৰে। সভাৰ ... ব্যাখ্যা আৰু শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় বিজ্ঞান মহিলা কোষৰ আহ্বায়িকা সুদক্ষিণা দাসে।

# প্ৰকৃতিবিদ প্ৰয়াত ডঃ ডিম্বেশ্বৰ চলিহাৰ দুখন গ্ৰন্থ উন্মোচন




জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৭ অক্টোবৰ** : ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট লেখক, প্ৰয়াত ডঃ ডিম্বেশ্বৰ চলিহাৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। বিশ্ববিখ্যাত প্ৰকৃতিবিদ ই পি জীৰ 'ৱাইল্ড লাইফ অব্ ইণ্ডিয়া'ৰ ডিম্বেশ্বৰ চলিহাই কৰা অসমীয়া অনুবাদ 'ভাৰতৰ বন্যপ্ৰাণী' গ্ৰন্থখন কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ পৰমানন্দ মহন্তই উন্মোচন কৰে। দ্বিতীয়খন শিশু উপযোগী পদ্য পুথি 'ফেঁচু ৰজা হ'ল' উন্মোচন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ডঃ শশীকান্ত শইকীয়াই। 'ভাৰতৰ বন্যপ্ৰাণী' গ্ৰন্থখন উন্মোচন কৰি ডঃ পৰমানন্দ মহন্তই কয়— ডঃ ডিম্বেশ্বৰ চলিহা এজন সঁচা অৰ্থত জ্ঞানপিপাসু লোক আছিল। অধ্যক্ষকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব থকাৰ পাছতো তেওঁ নিৰলসভাৱে সাহিত্য সৃষ্টি কৰি গৈছিল। তেওঁৰ সাহিত্য কৰ্মসমূহ অসমীয়া সাহিত্য জগতৰ বাবে অমূল্য সম্পদ হৈ আছে বুলি উল্লেখ কৰি তেওঁ কয়— প্ৰয়াত চলিহাই অসমীয়া জাতি আৰু সাহিত্যৰ বাবে বহুখিনি কৰি গ'ল। উল্লেখ্য যে ভাৰতৰ বন্যপ্ৰাণী গ্ৰন্থখনত ভাৰতৰ বিভিন্ন ঠাইৰ লগতে অসমৰ বনাঞ্চল তথা বন্যপ্ৰাণীৰ বিষয়ে বিশদভাৱে উল্লেখ আছে। গ্ৰন্থখনৰ আগকথা লিখিছিল সেই সময়ৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত ডঃ ডিম্বেশ্বৰ চলিহাৰ প্ৰতিচ্ছবিত বন্তি জ্বলাই শ্ৰদ্ধা জনোৱা হয়। ১৫ অক্টোবৰৰ বিয়লি অনুষ্ঠিত আন এগৰাকী উন্মোচক কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয়— ডিম্বেশ্বৰ চলিহা অধ্যক্ষ হিচাপে দক্ষ আছিল আৰু লেখক, সাহিত্যিক হিচাপেও সুপ্ৰতিষ্ঠিত আছিল। তেওঁৰ প্ৰতিখন গ্ৰন্থত জীৱনবোধৰ পৰিচয় পোৱা যায়। 'ভাৰতৰ বন্যপ্ৰাণী' গ্ৰন্থখন গৱেষকসকলৰ হাতপুথি স্বৰূপ হ'ব পাৰে বুলি তেওঁ কয়। অনাতাঁৰ শিল্পী বৰ্ণালী বৰুৱাই আঁত ধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে প্ৰয়াত ডঃ ডিম্বেশ্বৰ চলিহাৰ সুযোগ্য পুত্ৰ ডাঃ জয়ন্ত মাধৱ চলিহাই। অনুষ্ঠানত ডঃ ডিম্বেশ্বৰ চলিহাৰ পত্নী ডালিমী চলিহাই অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ দিলীপ কুমাৰ ভূঞা, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ডঃ ভাৰতী দত্ত, ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত শিক্ষক, বিশিষ্ট লেখক গন্ধেশ্বৰ শইকীয়াকে ধৰি কেইবাগৰাকীয়ে প্ৰয়াত ডঃ চলিহাৰ সান্নিধ্যৰ স্মৃতি ৰোমন্থন কৰে।

...ৰ ৬ (ক) অনু...

## ...ন্যায়...



## ...এই ৰায়ে অস... ...্যতা পুনৰ প্ৰতি...

...া ন্যায়ালয়ৰ ...বিভিন্ন দল- ...নৰ আদৰণি

দৈনিক অসমৰ ...
গুৱাহাটী, ১৭ ... চিনাক্তকৰণৰ ... ন্যায়ালয়ে প্ৰদান... আদৰণি জনাইছে... ঘটাই উচ্চতম ন...